No. of Printed Pages—6

81–84 (PSN 3)

[16–HRAGDA–M3]

MA 3rd Semester Exam., 2016

ASSAMESE

[MAS (S3) 11]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

(পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ)

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০টা শব্দৰ ভিতৰত) : ২×৫=১০

(ক) 'দ্য লেবৰেটৰী' কবিতাৰ কবি কোন? কবিতাটোৰ বিষয়বস্তু কি?

(খ) কোন চনত আৰু ক'ত টি. এছ. এলিয়টৰ 'দ্য ৰেষ্টলেণ্ড' কবিতাটো প্ৰকাশ পাইছিল? কবিতাটোত কি উপস্থাপিত হৈছে?

(গ) এলবাৰ্ট ক্যামুৰে ৰচনা কৰা নাটককেইখনৰ নাম লিখক।

(ঘ) 'দ্য অ'ল্ড মেন এণ্ড দ্য চী' উপন্যাসখনত জীৱন সম্পর্কে ঔপন্যাসিকগৰাকীয়ে কি বুলি মন্তব্য কৰিছে ?

(ঙ) বাস্তৱবাদী নাটক বুলিলে কি বুজে ?

(চ) ছেমুৱেল বেকেটৰ চমু পৰিচয় আগবঢ়াওক।

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০টা শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) উইলিয়াম ৱর্ডছৱর্থৰ কবিতাত ফুটি উঠা যি কোনো বৈশিষ্ট্য তিনিটাৰ বিষয়ে চমুকৈ লিখক।

(খ) কবি কীট্‌চৰ ৰচনাত গ্ৰীক প্ৰীতিৰ প্ৰকাশ কিদৰে ঘটিছে ?

(গ) ভিক্টোৰীয় যুগৰ উল্লেখযোগ্য লক্ষণকেইটামানৰ বিষয়ে চমুকৈ লিখক।

(ঘ) বিশ্বৰ উপন্যাস সাহিত্যৰ ক্ষেত্ৰখনত 'দ্য আউটছাইডাৰ' উপন্যাসখনৰ স্থান নিৰূপণ কৰক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০টা শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) 'টিনটার্ণ এবে' কবিতাটোৰ বিষয়বস্তু কি, বহলাই লিখক।

(খ) কবি জন কীট্‌চৰ জীৱন আৰু কৃতিৰ বিষয়ে চমুকৈ লিখক।

(গ) 'এ গ্ৰামাৰিয়ান্‌চ ফিউনাৰেল' কবিতাটোৰ সাধাৰণ আলোচনা আগবঢ়াওক।

(ঘ) হেন্ৰিক ইব্‌চেনৰ নাট্যৰীতিৰ বিষয়ে এটি আলচ আগবঢ়াওক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০টা শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) ইংৰাজী সাহিত্যত প্ৰেমৰ কবিৰূপে ৰবাৰ্ট ব্ৰাউনিঙৰ স্থান নিৰূপণ কৰক।

(খ) 'দ্য আউটছাইডাৰ' উপন্যাসৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰক।

(গ) 'দ্য অ'ল্ড মেন এণ্ড দ্য চী' উপন্যাসখনৰ গঠনৰীতি আৰু ইয়াত ব্যৱহৃত প্ৰতীক সম্পর্কে এটি আলোচনা আগবঢ়াওক।

(ঘ) 'পিলাৰ্ছ অফ ছ'চাইটি'ত উত্থাপিত হোৱা ব্যক্তি জীৱনৰ অনৈতিক আচৰণ—এই বিষয়ে এটি বিশ্লেষণাত্মক টোকা প্ৰস্তুত কৰক।

(ঙ) 'ৱেইটিং ফৰ গ'ড'ৰ কাহিনীভাগ আগবঢ়াই নিয়াত কোনকেইটা চৰিত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলি ভাবে ? চৰিত্ৰকেইটাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

(পালি-প্রাকৃত-অপভ্রংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ)

১। তলৰ যি কোনো **পাঁচটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৫০টা শব্দৰ ভিতৰত) : ২×৫=১০

(ক) 'অভিজ্ঞানশকুন্তলম'ৰ ষষ্ঠ অংকৰ 'প্রৱেশক' শীর্ষক দৃশ্যটিৰ মূল কথাখিনি চমুকৈ লিখক।

(খ) 'সন্দেশ ৰাসক' কাব্যখনিৰ ৰচকৰ পৰিচয় দাঙি ধৰক।

(গ) 'প্রাকৃত ভাষা' নামটোৰ তাৎপর্য চমুকৈ ব্যাখ্যা কৰক।

(ঘ) পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ স্বৰধ্বনিসমূহৰ উল্লেখ কৰি এটি টোকা লিখক।

(ঙ) সংস্কৃত আৰু পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ শব্দৰূপত বচনৰ প্রয়োগ সম্পর্কে চমু টোকা লিখক।

(চ) সংস্কৃতৰ ণিজন্ত ধাতুৰ বিষয়ে চমু আলোচনা কৰক।

২। তলৰ যি কোনো **তিনিছোৱা** সৰল অসমীয়ালৈ অনুবাদ কৰক আৰু লগতে তলত আঁচটনা যি কোনো **তিনিটা** শব্দৰ সংস্কৃত ৰূপ আৰু অসমীয়া অর্থ লিখক : ৪×৩=১২

(ক) ন ভজে পাপকে মিত্তে ন ভজে পুৰিসাধমে।
ভজেথ মিত্তে কল্যাণে ভজেথ পুৰিসুত্তমে॥

(খ) দিঅৰস্স অসুদ্ধমণস্সকুলবহূ ণিঅঅকুড্ড লিহিআইং।
দিঅহং কহেই ৰামাণুলগ্গ সোমিত্তিচৰিআইং॥

(গ) ৰক্ষিণৌ : (পুৰুষং তাড়য়িত্বা) হণ্ডে কুম্ভীলআ, কধেহি কহিং তুএএশে মহালদনভাশুলে উক্কিণ্ণনামক্খলে লাঅকীএ অঙ্গুলীঅএ শমাশাদিদে।

ধীৰৰক : (ভীতিনাটিতকেন) পশীদন্তু ভাবমিশ্শা, ণ হগে ঈদিশশ্শ-অকয্যশ্শ কালকে।

(ঘ) সজ্জন চিন্তই মনহি মনে মিত্ত কৰিঅ সৰ কোএ।
ভেঅ কহন্তা মজ্ঝু জই দুজ্জন ৰইৰি ণ হোএ॥

৩। তলৰ যি কোনো **তিনিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২৫০টা শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) 'ধম্মপদ'ৰ পৰিচয় দাঙি ধৰি বৌদ্ধসাহিত্যত ইয়াৰ স্থান নিৰূপণ কৰক।

(খ) 'কীর্ত্তিলতা' কাব্যৰ ঐতিহাসিক মূল্য বিচাৰ কৰক।

(গ) সংস্কৃত ভাষাৰ স্বৰধ্বনিসমূহৰ উল্লেখ কৰি পালি-প্রাকৃত-অপভ্রংশ ভাষাত এই স্বৰধ্বনিসমূহৰ পৰিৱর্তন উদাহৰণসহ আলোচনা কৰক।

(ঘ) সংস্কৃত ভাষাৰ লিংগ নির্ণয়ৰ প্রক্রিয়া উদাহৰণসহ বিশ্লেষণ কৰক।

৪। তলৰ যি কোনো **চাৰিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৫০০টা শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) 'অভিজ্ঞানশকুন্তলম্' নাটকৰ পৰা নির্বাচিত পাঠ্যাংশত ব্যৱহৃত প্রাকৃত ভাষাৰ ভাষাগত বৈশিষ্ট্যসমূহ উদাহৰণসহ বিশ্লেষণ কৰক।

(খ) সাহিত্যিক প্রাকৃতসমূহ কি কি উল্লেখ কৰি এই প্রাকৃতসমূহৰ ধ্বনিতত্ত্ব আৰু শব্দৰূপৰ বিষয়ে এটি আলোচনা কৰক।

(গ) সংস্কৃত ভাষাৰ সন্ধিৰ শ্রেণীবিভাগৰ উল্লেখ কৰি প্রাকৃত ভাষাত সন্ধিৰ প্রয়োগৰ বিষয়ে এটি আলোচনা কৰক।

(ঘ) সংস্কৃত আৰু পালি-প্রাকৃত-অপভ্রংশ ভাষাৰ কাৰক আৰু শব্দ-বিভক্তিৰ প্রয়োগ-বৈশিষ্ট্য দেখুৱাই এটি আলোচনা দাঙি ধৰক।

(ঙ) প্রাকৃত ভাষাৰ মুখ্য ধাতুসমূহৰ ধাতুৰূপ সম্পর্কে উদাহৰণসহ এটি বিশ্লেষণ দাঙি ধৰক।

★★★